**FYUGP/Sem-6/AM-CE2**

# 2026
# Assamese (Core)
## Paper Code : AM-CE-6324
## Paper Name : অসমীয়া ব্যাকৰণ

***Time : 3 hours*** ***Full Marks : 70***

১। অতি চমুকৈ উত্তৰ লিখা ঃ ১×১০=১০

ক) অসমীয়া ভাষাৰে লিখা প্ৰথমখন অসমীয়া ব্যাকৰণৰ নাম কি ?

খ) পাণিনিয়ে ৰচনা কৰা ব্যাকৰণখনত কেইটা অধ্যায় আছে ?

গ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা কিমান ?

ঘ) 'Syntactic structure'- গ্ৰন্থখনৰ লেখক কোন ?

ঙ) বচন অসমীয়া ভাষাত ব্যকৰণগত বিষয় হয়নে ?

চ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোটটোৰ নাম কি ?

ছ) কি বাক্যৰ পৰা ৰূপান্তৰিত বাক্য সাজিব পাৰি ?

জ) অসমীয়া ভাষাত দন্তমূলীয় ধ্বনিৰ সংখ্যা কিমান ?

ঝ) অসমীয়া ভাষাত অনুনাসিকতাই বিশিষ্ট ধ্বনিৰ মৰ্যাদা লাভ কৰেনে ?

ঞ) অসমীয়া ভাষাত অপাদান কাৰক বুজাবলৈ বিভক্তি আছেনে ?

২। চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

ক) পাণিনিৰ ব্যকৰণখনৰ নাম কি ? ব্লুমফিল্ডে এই ব্যাকৰণখনৰ বিষয়ে কি প্ৰশংসা সূচক মন্তব্য আগবঢ়াইছিল ?

খ) বিভাজ্য ধ্বনি কেইপ্ৰকাৰৰ আৰু কি কি ?

গ) অসমীয়া ভাষাত বিভক্তি কেইপ্ৰকাৰৰ আৰু কি কি ?

ঘ) অসমীয়া ভাষাত বচন কেইটা আৰু কি কি ?

ঙ) সৰল বাক্য কাক বোলে ?

৩। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৪=২০

ক) বিভক্তি আৰু প্ৰত্যয়ৰ মৌলিক পাৰ্থক্যৰ সম্পৰ্কে লিখা ।

*Contd..*

খ) পাঁচনি ধাতু কাক বোলে ? অসমীয়া ভাষাত এই ধাতু কেনেদৰে গঠন কৰা হয় উদাহৰণসহ আলোচনা কৰা । ২+৩=৫

গ) অসমীয়া নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰৰ ব্যৱহাৰ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

ঘ) শ্বাসাঘাত কাক বোলে ? অসমীয়া ভাষাৰ শ্বাসাঘাতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা । ২+৩=৫

ঙ) বাক্যৰ গঠনত আকাঙ্‌ক্ষা, যোগ্যতা আৰু আসত্তিৰ গুৰুত্ব বিচাৰ কৰা ।

চ) চমুটোকা লিখা ঃ বাক্যৰ আসন্ন অঙ্গ বা নিকটস্থ অঙ্গ ।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

ক) ব্যাকৰণ বুলিলে কি বুজা ? ব্যাকৰণৰ শ্ৰেনীবিভাগৰ যিকোনো তিনি প্ৰকাৰৰ ব্যাকৰণৰ বিষয়ে লিখা । ৪+৬=১০

খ) অসমীয়া ব্যাকৰণৰ ইতিহাস চমুকৈ আলোচনা কৰা । ১০

গ) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি ? জিভাৰ অংশ আৰু অৱস্থান অনুসৰি স্বৰধ্বনিৰ তালিকা এখন প্ৰস্তুত কৰা । অসমীয়া ভাষাৰ এই স্বৰধ্বনিবোৰ বুজাবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয় ? ২+৬+২=১০

ঘ) কাৰক কাক বোলে ? অসমীয়া ভাষাত কাৰক আৰু শব্দবিভক্তিৰ প্ৰয়োগ সম্পৰ্কে এটি নিৱন্ধ যুগুত কৰা । ২+৮=১০

ঙ) ব্যাকৰণ সিদ্ধ লিংগ কাক বোলে ? লিংগ ভেদ বুজাবলৈ অসমীয়া ভাষাত কি কি উপায় অৱলম্বন কৰা হয় উদাহৰণসহ আলোচনা কৰা । ৪+৬=১০

চ) গাঠনিক দিশৰ পৰা অসমীয়া বাক্যক কেইটা আৰু কি কি ভাগত ভগাব পাৰি ? প্ৰতিটো ভাগৰে উদাহৰণসহ গঠন প্ৰণালী আলোচনা কৰা । ২+৮=১০

■■■